# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 15-05-2024
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
**- - - - - - - - - - - - - - -**

১। দেশত পঞ্চম, ষষ্ঠ আৰু সপ্তম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান অব্যাহত। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মহাৰাষ্ট্ৰত, বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহ আৰু কংগ্ৰেছ নেতা ৰাহুল গান্ধীৰ ওড়িশাত তথা অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ঝাৰখণ্ডত নিৰ্বাচনী সভাত অংশগ্ৰহণ।

২। নাগৰিকত্ব সংশোধনী নিয়ম ২০২৪ৰ অধীনত আজি প্ৰথম পৰ্যায়ত নাগৰিকত্ব প্ৰমাণপত্ৰ প্ৰদান।

৩। কটন বিশ্ববিদ্যালয়ৰ ভূমি কোনো ব্যক্তিগত সংগঠন বা ব্যক্তিক আউটছোৰ্ছিং কৰিবলৈ অনুমতি প্ৰদান কৰা নহ'ব বুলি মুখ্যমন্ত্ৰী  হিমন্ত বিশ্ব শৰ্মাৰ মন্তব্য।

৪। বিধি বলৱৎকাৰী সঞ্চালকালয়ৰ দিল্লী উচ্চ ন্যায়ালয়ৰ আবকাৰী নীতি কেলেংকাৰি সংক্ৰান্তীয় গোচৰত আম আদমী পাৰ্টীক সহ অভিযুক্ত কৰা হ'ব বুলি প্ৰকাশ।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ গুৱাহাটীত অনুষ্ঠিত আজিৰ খেলত ৰাজস্থান ৰয়েলছ আৰু পাঞ্জাব কিংছ মুখামুখি।

ooooo

দেশত পঞ্চম, ষষ্ঠ আৰু সপ্তম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান অব্যাহত আছে। পঞ্চম পৰ্যায়ত ২০ মে'ত ৪৯টা লোকসভা সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব। ২৫ মে'ত ষষ্ঠ পৰ্যায়ত ৫৭টা আৰু ১ জুনত সপ্তম পৰ্যায়ত ৫৭টা লোকসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি মহাৰাষ্ট্ৰত প্ৰচাৰ চলায়। বিজেপি নেতা অমিত শ্বাহে আজি ওড়িশাত নিজ দলৰ প্ৰাৰ্থীৰ সমৰ্থনত কেইবাখনো নিৰ্বাচনী সমাবেশত ভাগ লয়। দলৰ জ্যেষ্ঠ নেতা তথা লোকসভাৰ অধ্যক্ষ ওম বিৰলাই আজি ৰাজ্যখনত নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। ইপিনে দলটোৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডায়েও আজি দলৰ মহিলা কৰ্মীসকলৰ সৈতে এখন বৈঠকত মিলিত হোৱাৰ কথা সংবাদ মাধ্যমক জানিবলৈ দিছে।

আনফালে ৰাহুল গান্ধীয়েও ওড়িশাত নিৰ্বাচনী সভা সম্বোধন কৰাৰ লগতে মটৰ চাইকেল সমদলত অংশ লয়। উল্লেখযোগ্য যে ওড়িশাত এইবাৰ লোকসভা নিৰ্বাচনৰ সমান্তৰালভাৱে ৰাজ্যখনৰ বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণো কৰা হ'ব।

বিজেপি নেতা তথা অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি ঝাৰখণ্ডত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। ৰাজ্যখনৰ গিৰিধত অনুষ্ঠিত এখন জনসভাত মুখ্যমন্ত্ৰীগৰাকীয়ে ক'ডাৰ্মা লোকসভা সমষ্টিৰ জনসাধাৰণক উদ্দেশ্যি ভাষণ দিয়ে।

ooooo

নাগৰিকত্ব সংশোধনী নিয়ম ২০২৪ৰ অধীনত আজি প্ৰথম পৰ্যায়ত নাগৰিকত্ব প্ৰমাণপত্ৰ প্ৰদান কৰা হৈছে। কেন্দ্ৰীয় গৃহ সচিব অজয় কুমাৰ ভাল্লাই আজি নতুন দিল্লীত একাংশ আবেদনকাৰীক নাগৰিকত্বৰ প্ৰমাণপত্ৰ প্ৰদান কৰে। এই নিয়মৰ অধীনত ১৪গৰাকী আবেদনকাৰীক নাগৰিকত্ব প্ৰদানৰ বাবে চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰে। শ্ৰীভাল্লাই আবেদনকাৰীসকলক অভিনন্দন জ্ঞাপন কৰি চলিত বছৰৰ যোৱা ১১ মাৰ্চত অধিসূচনা জাৰি কৰা নাগৰিকত্ব সংশোধনী নিয়মাৱলী সন্দৰ্ভত আলোকপাত কৰে। এই নিয়মৰ অধীনত পাকিস্তান, বাংলাদেশ আৰু আফগানিস্তানৰ পৰা ভাৰতলৈ অহা হিন্দু, শিখ, জৈন, বৌদ্ধ, পাৰ্চি আৰু খ্ৰীষ্টান সম্প্ৰদায়ৰ লোকসকলৰ নাগৰিকত্বৰ আবেদন গ্ৰহণ কৰা হৈছিল।

ooooo

কটন বিশ্ববিদ্যালয়ৰ ভূমিক লৈ সৃষ্টি হোৱা বিতৰ্ক সন্দৰ্ভত বিশ্ববিদ্যালয় কৰ্তৃপক্ষই আজি সংবাদ মাধ্যমৰ আগত নিজৰ স্থিতি স্পষ্ট কৰে। বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড০ অৰিন্দম গাৰ্গে কয় যে এখন শৈক্ষিক প্ৰতিষ্ঠানত ছাত্ৰ-ছাত্ৰীৰ কেণ্টিন, ফটোষ্টেট তথা ষ্টেশ্যনেৰী বিপণী আদিৰ প্ৰয়োজন হয়। এনে প্ৰয়োজন পূৰণ কৰিবলৈ বিশ্ববিদ্যালয়খনত এখন স্থায়ী সমিতি গঠন কৰা হৈছে বুলি উল্লেখ কৰি ড০ গাৰ্গে কয় যে এই সমিতিয়ে এনে ধৰণৰ প্ৰতিষ্ঠান ক'ত স্থাপন কৰা হ'ব সেই কথা নিৰ্ধাৰণ কৰিব। ইয়াৰ বাহিৰে বিশ্ববিদ্যালয়ৰ ভূমি সন্দৰ্ভত কোনো কথা-বতৰা হোৱা নাই বুলি তেওঁ উল্লেখ কৰে। তেওঁ লগতে কটন বিশ্ববিদ্যালয়ৰ ভূমি লীজত দিয়া বা বিক্ৰী কৰা সন্দৰ্ভত একাংশ সংবাদ মাধ্যমত প্ৰচাৰিত বাতৰি ভিত্তিহীন বুলি উল্লেখ কৰে।

ইফালে, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয় যে কটন বিশ্ববিদ্যালয় অৰ্থাৎ পূৰ্বৰ কটন কলেজে সমৃদ্ধ ইতিহাস বহন কৰি আহিছে। অসম চৰকাৰে ইয়াৰ সম্পত্তিসমূহ কোনো ব্যক্তিগত সংগঠন বা ব্যক্তিক আউটছোৰ্চিং কৰিবলৈ কাহানিও অনুমতি প্ৰদান নকৰে বুলি স্পষ্ট কৰি দি মুখ্যমন্ত্ৰীয়ে বিশ্ববিদ্যালয় কৰ্তৃপক্ষক এনে পদক্ষেপ গ্ৰহণ কৰাটো বন্ধ কৰিবলৈ নিৰ্দেশ দিয়ে।

ooooo

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ আজি ৬৮ সংখ্যক প্ৰতিষ্ঠা দিৱস। ১৯৫৭ চনৰ ১৫ মে'ত প্ৰতিষ্ঠা লাভ কৰা বিভাগটোৱে বিগত ৬৭ বছৰ ধৰি জনসাধাৰণক তথ্য, শিক্ষা আৰু জ্ঞানৰ খোৰাক যোগাই আহিছে। বহুজন হিতায়, বহুজন সুখায় বাণীক সাৰোগত কৰি বিভাগটোৱে শ্ৰোতাক নিৰপেক্ষ আৰু শুদ্ধ তথ্যৰে বাতৰি দিয়াৰ লগতে ভাষাৰ ক্ষেত্ৰত সংযত হৈ গৰিমা বজাই ৰাখি আহিছে। সম্প্ৰতি আঞ্চলিক বাতৰি বিভাগে দৈনিক ৮খন বুলেটিন, ৮টা নিউজ হেডলাইনছ, চাৰিটা প্ৰাসঙ্গিক বিষয়ৰ অনুষ্ঠানৰ উপৰি দিল্লীৰ পৰা প্ৰচাৰিত সাম্প্ৰতিক প্ৰসঙ্গৰ অনুষ্ঠান স্পটলাইটৰ অসমীয়া ভাষান্তৰ প্ৰচাৰ কৰে। অসমীয়া ভাষা শুদ্ধকৈ কোৱা আৰু শিকাৰ ধাৰাবাহিকতা ৰক্ষাৰ প্ৰয়াস চলাই অহা বাতৰি বিভাগটোৱে ২০১৫ চনত শ্ৰেষ্ঠ আঞ্চলিক বাতৰি বিভাগ হিচাপে আৰু একেটা চনতে বাৰ্তা সম্পাদক মানস প্ৰতীম শৰ্মাই সাহসী সাংবাদিকতা শিতানত শ্ৰেষ্ঠ সংবাদদাতা হিচাপে

তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ পৰা পুৰস্কাৰ গ্ৰহণ কৰে। তদুপৰি কোভিডৰ সময়ছোৱাত অৰ্থাৎ ২০২১ চনত অনুষ্ঠিত বিধানসভা নিৰ্বাচনৰ সময়ত কৰা নিৰন্তৰ প্ৰচাৰ আৰু নিৰ্বাচনকেন্দ্ৰিক অথচ নিৰপেক্ষ বাতৰিৰ বাবে ২০২২ চনত বিভাগটোৱে নিৰ্বাচন আয়োগে আগবঢ়োৱা শ্ৰেষ্ঠ সংবাদ মাধ্যমৰ পুৰস্কাৰ লাভ কৰে। জনসজাগতা সৃষ্টিৰ ক্ষেত্ৰত আঞ্চলিক বাতৰি বিভাগে অব্যাহত ৰখা নিৰলস সেৱাৰ স্বীকৃতি স্বৰূপে ২০২৩ বৰ্ষত চতুৰ্থ ৰাষ্ট্ৰীয় জল পুৰস্কাৰ লাভ কৰিবলৈ সমৰ্থ হয়। কেন্দ্ৰীয় জল শক্তি মন্ত্ৰালয়ে জল সংৰক্ষণৰ ক্ষেত্ৰত সজাগতা সৃষ্টিৰ বাবে আগবঢ়োৱা এই বঁটা বাতৰি বিভাগটোৱে জম্মু-কাশ্মীৰৰ এটাৰ সংস্থাৰ সৈতে যুটীয়াকৈ লাভ কৰিছে। বানৰ সময়ত বিশুদ্ধ পানী সেৱন, ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ খোৱাপানীত ক্ষতিকাৰক আৰ্চেনিক ফ্লৰাইডৰ অৱস্থিতি সন্দৰ্ভত চৰকাৰ প্ৰশাসনে জনস্বাস্থ্যৰ প্ৰতি লক্ষ্য ৰাখি পানী বিশুদ্ধকৰণৰ বাবে কি ব্যৱস্থা গ্ৰহণ কৰিছে সেই সন্দৰ্ভত বিভাগে এলানি অনুষ্ঠানত প্ৰচাৰ কৰিছিল। বাতৰি বিভাগৰ পোনপটীয়া ফোন ইন অনুষ্ঠান, দৃষ্টিপাত, সাপ্তাহিক অনুষ্ঠান চলন্তিকা আৰু প্ৰাসঙ্গিকত এই বিষয়সমূহ সামৰি লোৱা হৈছিল। আকাশবাণীৰ বাতৰি সমাজৰ অধিক সংখ্যক শ্ৰোতাৰ মাজলৈ লৈ যোৱাৰ বাবে সামাজিক মাধ্যমতো উপলব্ধ কৰোৱাবলৈ প্ৰয়াস কৰা হৈছে। জনসাধাৰণে News on AIR এপত বাতৰি শুনাৰ লগতে বাতৰি আৰু অন্য অনুষ্ঠান ইউটিউব চেনেল AIR News Guwahati, ফেচবুক পেজ আৰু এক্স হেণ্ডেলতো শুনিব পাৰে। প্ৰতিষ্ঠা দিৱসৰ শুভক্ষণত বাতৰি বিভাগৰ দোষ-ত্ৰুটি আঙুলিয়াই দি সহযোগ আগবঢ়োৱা প্ৰতিগৰাকী সচেতন আৰু সহৃদয় শ্ৰোতালৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰা হ'ল।

ooooo

দুৰ্যোগ সন্দৰ্ভত তথ্য আৰু প্ৰতিবেদন দাখিলৰ বাবে আজি ৰাজ্যৰ মুখ্য সচিব ড০ ৰবি কোটাই ডি আৰ আই এম এছ শীৰ্ষক এখন ডিজিটেল মঞ্চ মুকলি কৰে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ উদ্যোগত বিকশাই তোলা এই মঞ্চই ৰাজ্যখনত দুৰ্যোগৰ ফলত হোৱা ক্ষয়-ক্ষতিৰ তথ্য যুগুত কৰাৰ লগতে ক্ষতিগ্ৰস্ত লোকক প্ৰদান কৰা সাহায্য সন্দৰ্ভত সঠিক তথ্য প্ৰদান কৰিব। ইউনিচেফৰ সহযোগত বিকশাই তোলা এই মঞ্চৰ জৰিয়তে দুৰ্যোগৰ ফলত গুৰুতৰ ক্ষতিৰ সন্মুখীন হোৱা ঠাইসমূহ চিনাক্ত কৰাৰ লগতে শস্য, পশুধন আদিৰ ক্ষতি সম্পৰ্কে তথ্য সংৰক্ষণ কৰিব পৰা যাব। এই মঞ্চ মুকলি কৰাৰ লগতে মুখ্য সচিবগৰাকীয়ে দুৰ্যোগৰ সময়ত বিত্তীয় সাহায্য সন্দৰ্ভত এখন হাতপুথি মুকলি কৰে। তেওঁ লগতে এটা ৰাজ্যিক পৰ্যায়ৰ দুৰ্যোগ সম্পৰ্কীয় প্ৰশিক্ষণৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত দিয়া ভাষণত ড০ কোটাই বান আৰু অন্য প্ৰাকৃতিক দুৰ্যোগৰ সময়ত অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে গ্ৰহণ কৰা প্ৰচেষ্টাৰ শলাগ লয়। তেওঁ লগতে দুৰ্যোগৰ সামগ্ৰিক তথ্য সন্নিৱিষ্টকৰণ আৰু ক্ষতিগ্ৰস্ত সহায়ৰ বাবে এই ডিজিটেল মঞ্চ মুকলি কৰাটো উচিত পদক্ষেপ বুলি মন্তব্য কৰে।

ooooo

গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ পৰা অসম তথা উত্তৰ-পূবৰ হজযাত্ৰীৰ এইবাৰৰ প্ৰথমটো দল কাইলৈ মক্কা অভিমুখে যাত্ৰা কৰিব। আজি সন্ধিয়া গুৱাহাটী হাজি মুছাফিৰখানাত উত্তৰ-পূবৰ হজযাত্ৰীসকলক বিদায় সম্ভাষণ জনোৱাৰ বাবে এটা অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত গুৱাহাটীত থকা বাংলাদেশৰ সহকাৰী উচ্চায়ুক্ত ৰুহুল আমিন, অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকিব। উল্লেখযোগ্য যে অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ পৰা

এইবাৰ ৩ হাজাৰ ৭০৮ গৰাকী হজযাত্ৰী হজ যাত্ৰাৰ বাবে ৰাওনা হ'ব। হজ যাত্ৰা কৰিবলগীয়া যাত্ৰীসকলৰ ভিতৰত ৩ হাজাৰ ৬৫৮ গৰাকী অসমৰ হোৱা বিপৰীতে ৩৬ গৰাকী মেঘালয়ৰ আৰু ৭ গৰাকীকৈ নাগালেণ্ড আৰু অৰুণাচল প্ৰদেশৰ লোক। অহা ২৫ মে' পৰ্যন্ত যাত্ৰীসকল হজ যাত্ৰাৰ বাবে পৰ্যায়ক্ৰমে ৰাওনা হ'ব। হজ যাত্ৰীসকলৰ সুবিধাৰ বাবে কেন্দ্ৰীয় হজ সমিতিয়ে হজ সুবিধা এপ নামৰ এটা মোবাইল এপ্লিকেশ্বনৰ ব্যৱস্থা কৰা হৈছে। এই এপৰ সহায়ত যাত্ৰীসকলে হজ সম্পৰ্কীয় সকলো তথ্য ঘৰতে বহি লাভ কৰিব পাৰিব।

০০০০০

জলসম্পদ বিভাগৰ মন্ত্ৰী পীযূষ হাজৰিকাই আজি ওদালগুৰি জিলাৰ পানেৰী সমষ্টিৰ অন্তৰ্গত বৃহত্তৰ শুক্লাই অঞ্চল ভ্ৰমণ কৰি শুক্লাই নদীৰ খহনীয়াৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে শুক্লাইৰ অটাৰীখাট, জংঘলবস্তি, বগৰীদাঙা, আমদাৰা আদি খহনীয়াগ্ৰস্ত অঞ্চল পৰিদৰ্শন কৰি অতি সোনকালে ইয়াৰ প্ৰতিৰোধৰ আশ্বাস দিয়ে। উল্লেখযোগ্য যে মন্ত্ৰীগৰাকীৰ পৰিদৰ্শনকালত বিধানসভাৰ অধ্যক্ষ বিশ্বজিত দৈমাৰী, বিটিচিৰ উপ মুখ্য কাৰ্যবাহী সদস্য গোবিন্দ চন্দ্ৰ বসুমতাৰী আৰু বিটিচিৰ কাৰ্যবাহী সদস্য দাওবাইছা বড়োও অঞ্চলটোত উপস্থিত থাকে।

০০০০০

বিধি বলৱৎকাৰী সঞ্চালকালয়ে, দিল্লী উচ্চ ন্যায়ালয়ৰ আবকাৰী নীতি কেলেংকাৰি সংক্ৰান্তীয় গোচৰত আম আদমী পাৰ্টীক সহ অভিযুক্ত কৰা হ'ব বুলি অৱগত কৰিছে। এই গোচৰত দলটোৰ মুৰব্বী তথা দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালকে ধৰি তিনিজন মূল নেতাক কাৰাগাৰত বন্দী কৰা হৈছে। এইবাৰ প্ৰথমবাৰৰ বাবে এনেদৰে কোনো এটা ৰাজনৈতিক দলক যিকোনো গোচৰত অভিযুক্ত কৰা হ'ব। তদন্তকাৰী সংস্থাটোৱে আপৰ নেতা তথা দিল্লীৰ প্ৰাক্তন উপ মুখ্যমন্ত্ৰী মনীষ ছিছ'দিয়াৰ জামিন আবেদনৰ শুনানি গ্ৰহণ কৰি থকা আদালতত জনাই যে গোচৰটোৰ সন্দৰ্ভত পৰিপূৰক অভিযোগনামা দাখিল কৰা হ'ব আৰু তাত দলৰ নাম উল্লেখ থাকিব। বিধি বলৱৎকাৰী সঞ্চালকালয়ে এই কেলেংকাৰি সন্দৰ্ভত অবৈধ ধনৰ সৰবৰাহৰ দিশটো তদন্ত কৰি আছে। উল্লেখযোগ্য যে উচ্চতম ন্যায়ালয়ে লোকসভা নিৰ্বাচনৰ প্ৰচাৰৰ বাবে শ্ৰীকেজৰিৱালৰ অন্তৰৱৰ্তী জামিন মঞ্জুৰ কৰাৰ কেইদিনমানৰ পাছতেই এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। যোৱা বছৰৰ অক্টোবৰত আপক অভিযুক্ত কৰা সন্দৰ্ভত উচ্চতম ন্যায়ালয়ত প্ৰশ্ন উত্থাপন হৈছিল। তদন্তকাৰী সংস্থাটোৱে সুৰা নীতি গোচৰত লাভান্বিত হোৱা ৰাজনৈতিক দলৰ নাম কিয় অন্তৰ্ভুক্ত কৰিব নোৱাৰি বুলি প্ৰশ্ন উত্থাপন কৰিছিল।

০০০০০

সদৌ অসম ছাত্ৰ সন্থাই ৰাজ্যৰ বিভিন্ন ঠাইত আজি মূল্যবৃদ্ধিৰ বিৰুদ্ধে প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে। বৰপেটা জিলা সমিতিয়ে জিলাৰ শ্বহীদ ভৱনত এই বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে। নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ মূল্য নিয়ন্ত্ৰণ, ঔষধৰ মূল হ্ৰাস আদি দাবীৰে সংগঠনটোৰ সদস্যসকলে প্ৰতিবাদ সাব্যস্ত কৰে। এই কাৰ্যসূচীত জিলাখনৰ বিভিন্ন আঞ্চলিক সমিতিৰ প্ৰতিনিধিয়েও অংশগ্ৰহণ কৰে। শিৱসাগৰতো জিলা ছাত্ৰ সন্থাই ইন্ধন, অত্যাৱশ্যকীয় সামগ্ৰী, ঔষধ আদি মূল্যবৃদ্ধিৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে। শিৱসাগৰৰ ব'ৰ্ডিং ৰোডৰ পৰা সমদল উলিয়াই মুক্তিনাথ চালিআলিত সংগঠনটোৰ প্ৰতিনিধিসকলে অৱস্থান গ্ৰহণ কৰে। এই কাৰ্যসূচীত সংগঠনটোৰ শতাধিক নেতা-কৰ্মীয়ে অংশগ্ৰহণ কৰে।

০০০০০

বৰপেটাৰ জিলাৰ সৰ্থেবাৰীৰ নসত্ৰৰ কৃষ্ণগুৰু সেৱাশ্ৰমত আজি কৃষ্ণগুৰুৰ ৯০ সংখ্যক আৱিৰ্ভাৱ তিথি পালন কৰা হয়। নসত্ৰৰ মূল সেৱাশ্ৰমৰ লগতে দেশ-বিদেশৰ ১০৪খন শাখা সেৱাশ্ৰমতো আৱিৰ্ভাৱ মহোৎসৱ পালন কৰা হয়। নসত্ৰৰ সেৱাশ্ৰমখনত আজি বাৰ ঘণ্টীয়া অখণ্ড পালনাম আয়োজন কৰাৰ উপৰি আধ্যাত্মিক শোভাযাত্ৰাও উলিওৱা হয়। এই শোভাযাত্ৰাত ৰাজ্যৰ বিভিন্ন স্থানৰ পৰা অহা কৃষ্ণগুৰুৰ শিষ্য তথা ভকতসকলে অংশগ্ৰহণ কৰে।

০০০০০

মহিলা আৰু শিশু বিকাশ বিভাগ আৰু সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগৰ উদ্যোগত তথা চৰাইদেউ জিলা প্ৰশাসনৰ উদ্যোগত নিচামুক্তি ভাৰত অভিযানৰ অধীনত নিচাযুক্ত দ্ৰব্য সেৱনৰ ঋণাত্মক প্ৰভাৱ সন্দৰ্ভত কালি বৰহাট ভৱানী প্ৰসাদ বৰুৱা সোঁৱৰণী মহাবিদ্যালয় আৰু বৰহাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ত দুখন পৃথক সজাগতামূলক সভা অনুষ্ঠিত হয়। দুয়োখন সভাত ছাত্ৰ-ছাত্ৰীৰ নিচাজাতীয় দ্ৰব্যৰ প্ৰতি হোৱা আসক্তিৰ কাৰণ আৰু ইয়াৰ প্ৰতিকাৰৰ বিভিন্ন দিশ সন্দৰ্ভত বিস্তৃতভাৱে আলোকপাত কৰা হয়।

০০০০০

দৰং জিলাৰ আৰক্ষীয়ে আজি খাৰুপেটীয়া চহৰৰ পৰা প্ৰায় এহেজাৰটা নিচাযুক্ত আৰু নিষিদ্ধঘোষিত কফচিৰাপ জব্দ কৰে। আৰক্ষীয়ে লগতে এই সংক্ৰান্তত এটা গোচৰ ৰুজু কৰি জিলাখনৰ ধূলা থানাৰ অন্তৰ্গত নিজ শ্যামাবাৰী গাঁৱৰ এখন ঔষধ বিক্ৰী প্ৰতিষ্ঠানৰ গৰাকীজনক গ্ৰেপ্তাৰ কৰি আদালতৰ জৰিয়তে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিছে।

০০০০০

মৰিগাওঁ আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষকৰ নেতৃত্বত ১৬টা বিশেষ আৰক্ষীৰ দলে অভিযান চলাই যোৱা নিশা ১৪টা চাইবাৰ অপৰাধীক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে গুৱাহাটীৰ পৰা দুটা অপৰাধীক গ্ৰেপ্তাৰ কৰে। ইপিনে মৰিগাঁও জিলাৰ লাহৰীঘাট আৰু ভূৰাগাঁও আৰক্ষীয়ে অভিযান চলাই ৬টাকৈ চাইবাৰ অপৰাধীক গ্ৰেপ্তাৰ কৰিছে। যোৱা নিশা ভূৰাগাঁও আৰক্ষীৰ অভিযানত ৪টা আৰু লাহৰীঘাট আৰক্ষীৰ অভিযানত দুটা চাইবাৰ অপৰাধী গ্ৰেপ্তাৰ হয়। অপৰাধীৰ কেইটাৰ পৰা আৰক্ষীয়ে ৩৯৬খন ছিম কাৰ্ড, ২৫খন এটিএম কাৰ্ড, ১৪খন চেক বুক, ৩টা লেপটপ, ৩৪টা মোবাইল ফোন, ১১খন ভুৱা পান কাৰ্ড আৰু দুটা প্ৰিণ্টাৰ কৰিবলৈ সক্ষম হৈছে।

০০০০০

কৰিমগঞ্জ জিলাৰ অৱসৰপ্ৰাপ্ত জোৱান তথা প্ৰয়াত জোৱান সকলৰ সন্তানৰ বাবে ২০২৪-২৫ বৰ্ষৰ ছাত্ৰ বৃত্তি আবেদনৰ প্ৰ-পত্ৰ জমা দিবলৈ আহ্বান জনোৱা হৈছে। জিলাখনৰ জোৱান কল্যাণ বিষয়াই জাৰি কৰা এখন অধিসূচনাত প্ৰথমৰ পৰা নৱম আৰু একাদশ শ্ৰেণীৰ বাবে আবেদন দাখিলৰ অন্তিম তাৰিখ ৩০ ছেপ্তেম্বৰ ধাৰ্য কৰা হৈছে। লগতে দ্বাদশ শ্ৰেণীৰ বাবে আবেদন দাখিলৰ অন্তিম তাৰিখ ৩১ অক্টোবৰ আৰু স্নাতক পৰ্যায়ৰ বাবে আবেদনৰ অন্তিম দিন ৩০ নৱেম্বৰ ধাৰ্য কৰা হৈছে। ইচ্ছুক প্ৰাৰ্থীক জিলাখনৰ জোৱান কল্যাণ বিষয়াৰ কাৰ্যালয়ত যোগাযোগ কৰিবলৈ কোৱা হৈছে।

০০০০০

যোৰহাট আৰক্ষীয়ে অভিযান চলাই জিলাখনৰ মৰিয়নিত বুজন পৰিমাণৰ নিচাযুক্ত সামগ্ৰী জব্দ কৰে। গোলাঘাট আৰক্ষীৰ সহযোগত চলা এই অভিযানত আৰক্ষীয়ে নিচাযুক্ত সামগ্ৰীৰ ৩০টা বাকচ জব্দ কৰাৰ লগতে সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়।

০০০০০

সদৌ অসম কাৰাটে সন্থাৰ উদ্যোগত তথা যোৰহাট জিলা কাৰাটে সন্থাৰ সহযোগত আজি যোৰহাট ষ্টেডিয়ামত এটা কাৰাটে একাডেমী উদ্বোধন কৰা হয়। সন্থাটোৰ সাধাৰণ সম্পাদক আদৰ্শ চৌধুৰীয়ে উদ্বোধন কৰা এই অনুষ্ঠানত জিলা কাৰাটে সন্থাৰ বিষয়ববীয়াকে ধৰি জিলাখনৰ ক্ৰীড়া সংগঠক তথা ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি গুৱাহাটীত হ'বলগীয়া এখন খেলত ৰাজস্থান ৰয়েলছ আৰু পাঞ্জাব কিংছ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। বৰ্তমানলৈকে ১৬ পইণ্ট অৰ্জন কৰা ৰাজস্থান ৰয়েলছে আজিৰ খেলখনত জয়লাভ কৰি প্লে অফ পৰ্যায়ত স্থান নিশ্চিত কৰাৰ চেষ্টা চলাব। উল্লেখযোগ্য যে গুৱাহাটীত অহা ১৯ মে'ত প্ৰতিযোগিতাৰ আন এখন খেলত ৰাজস্থান ৰয়েলছ কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

আজি আৰু অহা ১৯ মে'ত গুৱাহাটীৰ বৰ্ষাপাৰাৰ এ চি এ ষ্টেডিয়ামত হ'বলগীয়া খেল দুখনৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটীৰ যান-বাহন আৰক্ষীয়ে যান-বাহনৰ চলাচলৰ ক্ষেত্ৰত বিশেষ নিৰ্দেশনা জাৰি কৰিছে। এই সময়ছোৱাত শিশু, মহিলা, ছাত্ৰ-ছাত্ৰী, জ্যেষ্ঠ নাগৰিক আৰু বিশেষভাৱে সক্ষম নাগৰিকসকলৰ আহযাহ সুচল হোৱাৰ লগতে জৰুৰীকালীন বাহন যেনে এম্বুলেন্স, স্কুল বাছ, অগ্নি নিৰ্বাপক বাহন আদিৰ চলাচল সুচল হোৱাকৈ এই নিৰ্দেশনা জাৰি কৰা হৈছে। সেই অনুসাৰে আজি আৰু ১৯ মে'ত দিনৰ ৩ বজাৰ পৰা নিশা ১২ বজালৈ ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ গুৱাহাটী মহানগৰীৰ অংশত গধূৰ যান-বাহন আৰু বাণিজ্যিক বাহনৰ চলাচলত নিষেধাজ্ঞা জাৰি কৰা হৈছে।

০০০০০

সমাপ্ত